# NSD NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 21-08-2025 **Time :** 1340 Hrs.

## *Assamese Midday Bulletin*

## *HEADLINES*

১।  লোকসভাৰ কাৰ্যক্ৰমণিকা অনিৰ্দিষ্ট কাললৈ স্থগিত ৰখা হৈছে।

২।  আই এন ডি আই মিত্ৰজোঁটৰ উপ-ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী  সৰ্বোচ্চ ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশ বি সুদৰ্শন ৰেড্ডীয়ে আজি মনোনয়ন পত্ৰ দাখিল কৰে।

৩।  উচ্চতম ন্যায়ালয়ে গৰাকীবিহীন কুকুৰ একেলগে ধৰি আশ্ৰয়গৃহলৈ প্ৰেৰণ সন্দৰ্ভত দিল্লী পৌৰ নিগমে জাৰি কৰা এখন জাননীক প্ৰত্যাহ্বান জনাই দাখিল কৰা আবেদনৰ তাৎক্ষণিক শুনানি গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰিছে।

৪।  ফিজিৰ প্ৰধানমন্ত্ৰী ছিটিভেনি লিগামামাদা ৰাবুকা অহা দেওবাৰে তিনিদিনীয়া ভ্ৰমণসূচীৰে ভাৰতলৈ আহিব।

আৰু

৫।  ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত পৰহিলৈ ডায়মণ্ড হাৰ্বাৰ ফুটবল ক্লাব যোৱাবাৰৰ চেম্পিয়ন নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাবৰ মুখামুখি হ'ব।

০০০০০০০

লোকসভাৰ কাৰ্যক্ৰমণিকা অনিৰ্দিষ্ট কাললৈ স্থগিত ৰখা হৈছে। কাম-কাজ প্ৰথমবাৰৰ বাবে স্থগিত ৰখাৰ পাছত দুপৰীয়া ১২ বজাত নিম্ন সদন পুনৰ মিলিত হোৱাৰ সময়ত অধ্যক্ষ ওম বিৰলাই কয়, যে যোৱা ২১ জুলাইৰ পৰা আৰম্ভ হোৱা সংসদৰ বৰ্ষাকালীন অধিৱেশনত ১৪ খন চৰকাৰী বিধেয়ক সদনত উত্থাপন কৰা হয় আৰু মুঠ ১২ খন বিধেয়ক গৃহীত হয়। তেওঁ কয়, যে অধিৱেশনৰ সময়ছোৱাত অপাৰেচন সিন্দুৰ সন্দৰ্ভত দুদিনীয়া বিশেষ আলোচনা অনুষ্ঠিত হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উত্তৰেৰে এই আলোচনাৰ সামৰণি পৰে। লোকসভাত ভাৰতৰ মহাকাশ কাৰ্যসূচীৰ সাফল্য সম্পৰ্কেও বিশেষ আলোচনা হোৱা বুলি অধ্যক্ষগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে এইবাৰৰ অধিৱেশনৰ বিষয়সূচীত ৪১৯ টা তৰাযুক্ত প্ৰশ্ন অন্তৰ্ভুক্ত কৰা হয় যদিও সদনৰ কাম-কাজ পূৰ্ব পৰিকল্পিতভাৱে বিঘ্নিত কৰাৰ ফলত মাত্ৰ ৫৫ টা প্ৰশ্নহে মৌখিক উত্তৰৰ বাবে বিবেচনা কৰিব পৰা যায়। সদনৰ কাম-কাজ বিঘ্নিত হোৱাক লৈ অসন্তুষ্টি প্ৰকাশ কৰি শ্ৰী বিৰলাই কয়, যে বৰ্ষাকালীন অধিৱেশনৰ সময়ছোৱাত মাত্ৰ ৩৭ ঘণ্টা এই কাম কৰিব পৰা যায়। তেওঁ কয়, যে এই অধিৱেশনৰ সময়ছোৱাত দেখা পোৱা আচৰণ আৰু ভাষাৰ ব্যৱহাৰ সংসদৰ গৰিমাৰ সম্পূৰ্ণ পৰিপন্থী। সংসদৰ গৰিমা বৰ্তাই ৰখাৰ ক্ষেত্ৰত অৰদান আগবঢ়োৱাটো সদস্যসকলৰ উমৈহতীয়া দায়িত্ব বুলি অধ্যক্ষগৰাকীয়ে মন্তব্য কৰে। তেওঁ কয়, যে সদস্যসকলে সদনত প্ৰয়োগ কৰা ভাষা মৰ্যাদাসম্পন্ন হোৱা উচিত। ইয়াৰ পূৰ্বে দিনৰ ১১ বজাত লোকসভা মিলিত হোৱাৰ সময়ত ভোটাৰ তালিকাৰ বিশেষ বিস্তৃত পুনৰীক্ষণ সম্পৰ্কে আলোচনা কৰাৰ দাবী উত্থাপন কৰি বিৰোধী দলসমূহে প্ৰতিবাদ সাব্যস্ত কৰে। এনে পৰিস্থিতিৰ মাজতে লোকসভাৰ অধ্যক্ষ ওম বিৰলাই প্ৰশ্নোত্তৰ কালৰ কাম চলাই নিয়াৰ চেষ্টা কৰে যদিও বিৰোধী সাংসদসকলে সৃষ্টি কৰা হুলস্থূলৰ বাবে তেওঁ সদনৰ কাৰ্যক্ৰমণিকা দুপৰীয়া ১২ বজালৈ স্থগিত ৰাখিবলৈ বাধ্য হয়।

ৰাজ্যসভাতো আজি একেধৰণৰ পৰিস্থিতিৰ উদ্ভৱ হয়। দিনৰ ১১ বজাত উচ্চ সদন মিলিত হোৱাৰ সময়ত উপ-সভাপতি হৰিবংশে বিভিন্ন বিষয় লৈ ভিন ভিন ৰাজনৈতিক দলে ১৮ খন সভাস্থগিতকৰণৰ জাননী প্ৰেৰণ কৰা বুলি উল্লেখ কৰে। তেওঁ অৱশ্যে সদন পৰিচালনাৰ বিভিন্ন নিয়মৰ দোহাই দি এই জাননীসমূহ প্ৰত্যাখ্যান কৰে। ইয়াৰ পাছতে বিৰোধী পক্ষৰ সাংসদসকলে শ্ল'গান দিবলৈ ধৰে। উপ-সভাপতিগৰাকীয়ে শূন্যকালৰ কাম আগবঢ়াই নিয়াৰ চেষ্টা চলায় যদিও বিৰোধী পক্ষৰ সাংসদসকলে ভোটাৰ তালিকাৰ বিশেষ বিস্তৃত পুনৰীক্ষণৰ বিষয় লৈ প্ৰতিবাদ সাব্যস্ত কৰে। অচলাৱস্থা অব্যাহত থকাত উপ-সভাপতি হৰিবংশে সদনৰ কাম-কাজ দিনৰ দুই বজালৈ স্থগিত ৰাখে।

০০০০০০০০০

আই এন ডি আই মিত্ৰজোঁটৰ উপ-ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী  সৰ্বোচ্চ ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশ বি সুদৰ্শন ৰেড্ডীয়ে আজি সংসদ ভৱনত মনোনয়ন পত্ৰ দাখিল কৰে। মনোনয়ন পত্ৰ দাখিলৰ সময়ত কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গে, জ্যেষ্ঠ কংগ্ৰেছ নেত্ৰী ছোনিয়া গান্ধী, এন চি পিৰ নেতা শাৰদ পাৱাৰ, সমাজবাদী পাৰ্টীৰ নেতা ৰাম গোপাল যাদৱ, ডি এম কেৰ নেতা তিৰুচি শিৱা আৰু টি এম চিৰ নেত্ৰী শতাব্দী ৰয়কে ধৰি আই এন ডি আই মিত্ৰজোঁটৰ কেইবাগৰাকীও জ্যেষ্ঠ নেতা উপস্থিত থাকে।

মনোনয়ন পত্ৰ দাখিলৰ পূৰ্বে শ্ৰীৰেড্ডীয়ে সংসদ ভৱনৰ প্ৰেৰণা স্থলত জাতিৰ পিতা মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তিত পুষ্পাঞ্জলি তৰ্পন কৰে। দেশৰ স্বাধীনতা আন্দোলনৰ বিশিষ্ট নেতাসকলৰ প্ৰতিমূৰ্তিতো শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

উপ-ৰাষ্ট্ৰপতি নিৰ্বাচনৰ মনোনয়ন পত্ৰসমূহ কাইলৈ পৰীক্ষা কৰা হ'ব। ২৫ আগষ্টৰ ভিতৰত মনোনয়ন পত্ৰ প্ৰত্যাহাৰ কৰিব পাৰিব। অহা ৯ ছেপ্তেম্বৰত উপ-ৰাষ্ট্ৰপতিৰ নিৰ্বাচন অনুষ্ঠিত হ'ব।

০০০০০০০০০

উচ্চতম ন্যায়ালয়ে আজি গৰাকীবিহীন কুকুৰ একেলগে ধৰি আশ্ৰয়গৃহলৈ প্ৰেৰণ সন্দৰ্ভত দিল্লী পৌৰ নিগমে জাৰি কৰা এখন জাননীক প্ৰত্যাহ্বান জনাই দাখিল কৰা আবেদনৰ তাৎক্ষণিক শুনানি গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰিছে। এগৰাকী অধিবক্তাই  এই সন্দৰ্ভত আবেদন দাখিল কৰা বুলি উল্লেখ কৰাৰ পাছত ন্যায়াধীশ জে কে মহেশ্বৰী আৰু বিজয় বিষ্ণয়ক লৈ গঠিত এখন বিচাৰপীঠে আজি বিষয়টোৰ তাৎক্ষণিক শুনানি গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰে। ১৪ আগষ্টত সৰ্বোচ্চ ন্যায়ালয়ে বিষয়টো সন্দৰ্ভত ৰায়দান সুৰক্ষিত ৰখাৰ পাছতো দিল্লী পৌৰ নিগমে জাননী জাৰি কৰা বুলি আবেদনখনত উল্লেখ কৰা হৈছে। ইয়াৰ পূৰ্বে ১১ আগষ্টত ন্যায়াধীশ জে বি পাৰ্দিৱালা আৰু আৰ মহাদেৱনক লৈ গঠিত এখন বিচাৰপীঠে পৌৰ নিগম কৰ্তৃপক্ষক দিল্লীৰ বিভিন্ন প্ৰান্তৰ গৰাকীবিহীন কুকুৰসমূহ কৰায়ত্ত কৰিবলৈ আৰু ৮ সপ্তাহৰ ভিতৰত কমেও ৫ হাজাৰ পশুধন ৰখাৰ ব্যৱস্থা থকা আশ্ৰয় গৃহ নিৰ্মাণ কৰিবলৈ নিৰ্দেশ দিছিল।

০০০০০০০০০

ফিজিৰ প্ৰধানমন্ত্ৰী ছিটিভেনি লিগামামাদা ৰাবুকা অহা দেওবাৰে তিনিদিনীয়া ভ্ৰমণসূচীৰে ভাৰতলৈ আহিব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এটা বিবৃতিত প্ৰকাশ কৰা মতে এই ভ্ৰমণকালত শ্ৰী ৰাবুকাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে আলোচনাত মিলিত হ'ব। শ্ৰী মোদীয়ে অভ্যাগত প্ৰধানমন্ত্ৰীগৰাকীৰ সন্মানাৰ্থে মধ্যাহ্ন ভোজমেলৰ  আয়োজন কৰিব। শ্ৰী ৰাবুকাই নতুন দিল্লীত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুকো সাক্ষাৎ কৰিব। তেওঁ নতুন দিল্লীৰ ভাৰতীয় বিশ্ব পৰিক্ৰমা পৰিষদত শান্তিৰ মহাসাগৰ সন্দৰ্ভত ভাষণ দিব। এই ভ্ৰমণকালত ভিজিৰ প্ৰধানমন্ত্ৰীগৰাকীৰ সৈতে দেশখনৰ স্বাস্থ্য আৰু চিকিৎসাসেৱা মন্ত্ৰী ৰাতু এট'নিঅ' লালাবালাভু আৰু আন কেইবাগৰাকী শীৰ্ষ বিষয়াও ভাৰতলৈ আহিব। প্ৰধানমন্ত্ৰী ৰাবুকাৰ এই ভ্ৰমণে ভাৰত আৰু ফিজিৰ মাজৰ দীৰ্ঘদিনীয়া সম্পৰ্ক সুদৃঢ় কৰা লগতে বিভিন্ন খণ্ডত থকা দ্বিপাক্ষিক সম্পৰ্ক শক্তিশালী কৰাৰ ক্ষেত্ৰত দুয়োখন দেশৰ প্ৰতিশ্ৰুতিবদ্ধতাক পুনৰ নিশ্চিত কৰিব বুলি আশা কৰা হৈছে।

০০০০০০০০০

ত্ৰিবেণী ৰয়ৰ **শ্বেপ অৱ্ ম'ম'** নামৰ চলচ্চিত্ৰখনক বুছান আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত ভিজন ছেক্সনৰ বাবে আনুষ্ঠানিকভাৱে বাছনি কৰা হৈছে। দক্ষিণ কোৰিয়াৰ বুছান চহৰত প্ৰতিবছৰে অনুষ্ঠিত এই চলচ্চিত্ৰ মহোৎসৱ এছিয়াৰ আটাইতকৈ সন্মানীয় আৰু প্ৰসিদ্ধ মহোৎসৱ বুলি গণ্য কৰা হয়। এছিয়াৰ চলচ্চিত্ৰসমূহক বিশ্ব প্ৰেক্ষাপটলৈ লৈ যোৱাই এই চলচ্চিত্ৰ মহোৎসৱৰ মূল উদ্দেশ্য। এই মহোৎসৱৰ ভিজন ছেক্সনত এছিয়াৰ উদীয়মান আৰু কিছু পৰিমাণে অভিজ্ঞ তথা সাহসী আৰু মৌলিক কাহিনী প্ৰদৰ্শন কৰা হয়। ত্ৰিবেণী ৰায়ৰ প্ৰথম চলচ্চিত্ৰ **শ্বেপ অৱ্ ম'ম'**ক ছেন ছেবেষ্টিয়ান আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত যোৱা ছেপ্তেম্বৰত প্ৰদৰ্শন কৰা হৈছিল।

০০০০০০০০০

ইজৰাইলৰ প্ৰতিৰক্ষা বাহিনীয়ে গাজাত দেশখনৰ সৈন্য বাহিনীক স্থল পথেৰে আক্ৰমণ পুনৰ আৰম্ভ কৰাৰ পাছৰে পৰা দুহেজাৰৰো অধিক সন্ত্ৰাসবাদীক নিধন কৰা বুলি দাবী কৰিছে। এই আক্ৰমণত সন্ত্ৰাসবাদীৰ প্ৰায় ১০ হাজাৰ ঘাটিক লক্ষ্য কৰি লোৱা

হৈছে আৰু হামাছৰ ওপৰত হেঁচা বৃদ্ধি কৰাৰ বাবে নিয়ন্ত্ৰণ কৰিড’ৰ স্থাপন কৰা হৈছে। ইজৰাইলৰ প্ৰতিৰক্ষা বাহিনীয়ে সামাজিক মাধ্যমযোগে প্ৰকাশ কৰা মতে দেশখনৰ সামৰিক বাহিনীয়ে গাজাৰ প্ৰায় ৭৫ শতাংশ অঞ্চল নিজৰ নিয়ন্ত্ৰণলৈ নিছে।

ooooooooo

আমেৰিকা যুক্তৰাষ্ট্ৰৰ মহাকাশ গৱেষণা সংস্থা নাছাই জেম্‌ছ ৱেব মহাকাশ দূৰবীণৰ জৰিয়তে ইউৰেনাছৰ ২৯ সংখ্যক উপগ্ৰহ আৱিষ্কাৰ কৰা বুলি ঘোষণা কৰিছে। এই উপগ্ৰহটোত এছ/২০২৫ ইউ ৱান বুলি নামকৰণ কৰা হৈছে।

ooooooooo

ডুৰাণ্ড কাপ ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত পৰহিলৈ ডায়মণ্ড হাৰ্বাৰ ফুটবল ক্লাব যোৱাবাৰৰ চেম্পিয়ন নৰ্থ ইষ্ট ইউনাইটেড ফুটবল ক্লাবৰ মুখামুখি হ’ব। খেলখন কলকাতাৰ ছল্ট লেক যুৱ ভাৰতী ক্ৰীড়াংগনত খেলোৱা হ’ব।

ডায়মণ্ড হাৰ্বাৰ ফুটবল ক্লাবে কালি কলকাতাৰ বিবেকানন্দ যুৱ ভাৰতী ক্ৰীড়াংগনত অনুষ্ঠিত প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেলত ১৬ বাৰৰ চেম্পিয়ন ইষ্ট বেংগল ফুটবল ক্লাবক ২-১ গলত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছে। খেলখনৰ দ্বিতীয়াৰ্ধত ডায়মণ্ড হাৰ্বাৰ ফুটবল ক্লাবৰ হৈ মাইকেল কৰ্টাজাৰে প্ৰথমটো গল দিয়ে যদিও তাৰ কিছু সময়ৰ পাছতে ইষ্ট বেংগলৰ আনোৱাৰ আলীয়ে সমতা স্থাপন কৰে। পাছত ডায়মণ্ড হাৰ্বাৰৰ জবিয়ে দলৰ হৈ বিজয়সূচক গ’লটো দিয়ে।

নৰ্থ-ইষ্ট ইউনাইটেড ফুটবল ক্লাবে মঙলবাৰে শ্বিলঙত অনুষ্ঠিত প্ৰতিযোগিতাৰ প্ৰথমখন ছেমি ফাইনেলত শ্বিলং লাজং এফ চিক ১-০ গ’লত পৰাভূত কৰি ফাইনেলত স্থান নিশ্চিত কৰে।

ooooooo

SINQUEFIELD CUP দবা প্ৰতিযোগিতাৰ তৃতীয় ৰাউণ্ডত বিশ্ব চেম্পিয়ন ডি গোকেশ আৰু ৱাইল্ড কাৰ্ডৰ জৰিয়তে অংশগ্ৰহণৰ সুযোগ লাভ কৰা আমেৰিকাৰ ছেমুৱেল ছেবিয়নৰ মাজৰ খেলখন কালি অমীমাংসিতভাৱে সমাপ্ত হয়। ভাৰতৰ আৰ প্ৰজ্ঞানন্দা আৰু উজবেকিস্তানৰ নোদীৰবেক অব্‌দুস্তটোৰোভৰ মাজৰ খেলখনো অমীমাংসিতভাৱে সমাপ্ত হয়। প্ৰজ্ঞানন্দাই বৰ্তমানলৈ খেলা দুয়োখন খেল অমীমাংসিতভাৱে সমাপ্ত হৈছে যদিও খেলুৱৈগৰাকী আমেৰিকাৰ ফেবিয়ান’ কাৰুৱানা আৰু লেৱোন এৰ’নিয়নৰ সৈতে যৌথভাৱে প্ৰতিযোগিতাৰ পইণ্ট তালিকাত আগবাঢ়ি আছে।

ooooooooo

সমাপ্ত